**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-03-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল আৰু প্ৰচাৰ অভিযান অব্যাহত।

২। অসম প্ৰদেশ তৃণমূল কংগ্ৰেছ দলৰ আজি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ।

৩। আজি বিশ্ব জল দিৱস। ৰাজ্যজুৰি জল সুৰক্ষা আৰু ভোটাৰ সজাগতা কাৰ্যসূচী গ্ৰহণ।

৪। তিনিচুকীয়াৰ জাগুনত আৰক্ষীৰ কমাণ্ডো শিবিৰত দুস্কৃতিকাৰীৰ আক্ৰমণত কমেও ৪ জন জোৱান আহত।

***আৰু***

৫। দেশত অত্যাৰশ্যকীয় ইন্ধনৰ অভাৱ হোৱা নাই বুলি চৰকাৰৰ প্ৰকাশ।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল আৰু প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিনা প্ৰাৰ্থীসকলে বিয়লি ৩ বজা পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব। সেই অনুসৰি কাইলৈ অন্তিম দিনা সকলো ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল মনোনয়ন পত্ৰ দাখিলৰ বাবে সাজু হৈছে। কামৰূপ মহানগৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে কাইলৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰিব। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে বিজেপিৰ পৰা দিছপুৰ সমষ্টিৰ বাবে প্ৰাৰ্থীত্ব লাভ কৰা প্ৰদ্যুৎ বৰদলৈ, মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তা, নিউ গুৱাহাটীৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মা আৰু মিত্ৰদল এ জি পিৰ ডিমৰীয়া সমষ্টিৰ প্ৰাৰ্থী ডং তপন দাসে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। ইপিনে, দিছপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ, নিউ গুৱাহাটীৰ প্ৰাৰ্থী শান্তনু বৰা, ডিমৰীয়াৰ প্ৰাৰ্থী কিশোৰ কুমাৰ বৰুৱা, জালুকবাৰীৰ প্ৰাৰ্থী বিদিশা নেওগ তথা এ জে পিৰ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী পংকী চৌধুৰীয়ে মনোনয়ন দাখিল কৰিব।

নলবাৰী জিলাৰ ৩ টা বিধানসভা সমষ্টি - নলবাৰী, টিহু আৰু বৰক্ষেত্ৰীৰ বাবে বিজেপি আৰু বিৰোধী কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলাখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ লগতে যাতায়াত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে। কাইলৈ বিজেপিৰ জয়ন্ত মল্ল বৰুৱা, চন্দ্ৰমোহন পাটোৱাৰী আৰু নাৰায়ণ ডেকাই মনোনয়ন দাখিল কৰিব। তেওঁলোকে গৰ্ডন খেলপথাৰৰ পৰা শোভাযাত্ৰা কৰি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যাব। ইপিনে, কংগ্ৰেছ দলৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং উপস্থিত থকাৰ কথা।

ইপিনে, মনোনয়ন দাখিলৰ অন্তিম দিনাৰ বাবে জিলা প্ৰশাসনসমূহেও তৎপৰতা অব্যাহত ৰাখিছে। যোৰহাট জিলাত কাইলৈ পুৱা দহ বজাৰ পৰা বিয়লি ৩ বজালৈ কেইবাটাও পথত যাতায়াতৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়চোৱাত যোৰহাট চহৰৰ গীতাৰ্থী তিনিআলিৰ পৰা বৰুৱা চাৰিআলিলৈ, ডি চি বি পথ আৰু মছজিদ পইণ্টৰ পৰা যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ৰ চাৰিআলিলৈকে প্ৰৱেশ পথ সম্পূৰ্ণৰূপে বন্ধ থাকিব।

০০০০০

অসম প্ৰদেশ তৃণমূল কংগ্ৰেছ দলে আজি সমাগত নিৰ্বাচনৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি শ্বেৰমান আলী আহমেদক বৰপেটাৰ মন্দিয়া সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব দিয়াৰ লগতে ৰোজি আহমেদক কামৰূপ জিলাৰ হাজো-শুৱালকুছি  অনুসূচীত জাতি সমষ্টি আৰু মধ্য গুৱাহাটীত অভিজিৎ মজুমদাৰক প্ৰাৰ্থীত্ব দিয়া হৈছে। ইনুছ কুমাৰ কন্দপনক ডিব্ৰুগড়ৰ চাবুৱা লাহোৱাল সমষ্টিৰ পৰা, পৰেশ বৰাক মৰিয়নিৰ পৰা, পৰিমল ৰঞ্জন ৰয়ক উত্তৰ কৰিমগঞ্জৰ পৰা আৰু আজিজ আহমেদ খানক দক্ষিণ কৰিমগঞ্জৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে মন্দিয়া সমষ্টিত প্ৰাৰ্থীত্ব প্ৰদান কৰা শ্বেৰমান আলী আহমেদে কংগ্ৰেছৰ সৈতে সম্পৰ্ক ছেদ হোৱাৰ পাছত কিছুদিন পূৰ্বে ৰাইজৰ দলত যোগদান কৰিছিল। কিন্তু কংগ্ৰেছৰ সৈতে ৰাইজৰ দলৰ মিত্ৰতাৰ পৰিপ্ৰেক্ষিতত তেওঁ শেষ মুহূৰ্তত মন্দিয়াৰ পৰা ৰাইজৰ দলৰ হৈ টিকট লাভৰ ক্ষেত্ৰত বঞ্চিত হয়। ইয়াৰ পাছত শ্বেৰমান আলীয়ে নিৰ্দলীয়ভাৱে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা ঘোষণা কৰাৰ পাছতে আজি অসম প্ৰদেশ তৃণমূল কংগ্ৰেছে তেওঁক প্ৰাৰ্থীত্ব প্ৰদান কৰে।

০০০০০

বিধাসনভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত  ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। ইতিমধ্যে কোনো কোনো দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। বিজেপিয়ে পৰহিলৈ আনুষ্ঠানিকভাৱে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব। দলটোৱে প্ৰায় ৪০ জন তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ অভিযান চলাব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী থাকিব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

**বাইট - দিলীপ শইকীয়া**

বিজেপি আৰু ইয়াৰ মিত্ৰদলৰ প্ৰচাৰ অভিযানক শক্তিশালী কৰাৰ উদ্দেশ্যে জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি হাফলঙত উপস্থিত হৈ ডিমা হাচাওৰ দলীয় নেতাকৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়। তেওঁ তৃণমূল পৰ্যায়ৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ ঐক্যবদ্ধ প্ৰচাৰ অভিযানৰ গুৰুত্ব সন্দৰ্ভত আলোচনা কৰে।

নলবাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই আজি বৰপেটা বিধানসভা সমষ্টিৰ বিজেপি আৰু অসম গণ পৰিষদৰ নেতাকৰ্মীসকলৰ এখন যৌথ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই সভাৰ জৰিয়তে দুয়োটা দলৰ কৰ্মকৰ্তাসকলক ঐক্যবদ্ধভাৱে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ আহ্বান জনোৱা হয়। বাক্সাৰ মুছলপুৰৰ জিলা বিজেপি কাৰ্যালয়ত আজি এন ডি এ সমৰ্থিত প্ৰাৰ্থীক লৈ বিজেপি আৰু বি পি এফৰ এখন যুটীয়া সংবাদমেল অনুষ্ঠিত হয়। বাক্সা জিলাৰ শালবাৰীত আজি ইউ পি পি এলৰ প্ৰাৰ্থী জৌংশ্ৰাং ব্ৰহ্মই প্ৰচাৰ অভিযান চলায়।

০০০০০

আজি বিশ্ব জল দিৱস। জল সংৰক্ষণৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টিৰ বাবে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। অনিয়ন্ত্ৰিত নগৰীকৰন, আন্তঃগাঁথনি নিৰ্মাণ, খননকে ধৰি বিভিন্ন কাৰণত ভূগৰ্ভৰ পানীৰ পৰিমাণ হ্ৰাস পাই আহিছে। পৃথিৱীক বসবাসৰ উপযোগী কৰি ৰখাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে সুৰক্ষিত কৰি ৰাখিবলৈ এই দিৱসৰ অংশ হিচাপে ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ১৯৯৩ চনত ৰাষ্ট্ৰসংঘই এই দিৱস আয়োজনৰ বিষয়ে ঘোষণা কৰিছিল। এইবাৰৰ জলদিৱসৰ বিষয়বস্তু হৈছে- পানী আৰু লিংগ সমতা। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি জলদিৱসৰ কাৰ্যসূচী লোৱা হৈছে। ৰাজ্যৰ কেইবাখনো জিলাত নিৰ্বাচনী সজাগতা সৃষ্টিৰ সমান্তৰালভাৱে জলসংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ আজি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। যোৰহাট নিৰ্বাচনী জিলাত এই উপলক্ষে জিলা প্ৰশাসনৰ তৰফৰ পৰা ভোট ফ'ৰ ৱাটাৰ, ভোট ফ'ৰ লাইফ শীৰ্ষক শ্লোগানেৰে আহ্বান জনোৱা হৈছে। এই আহ্বান মৰ্মে জনসাধাৰণক অহা ৯ এপ্ৰিলত নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ উৎসাহিত কৰা হৈছে।

শোণিতপুৰ জিলাত পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কোষৰ উদ্যোগত আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত জন অংশীদাৰিত্ব, ভোটদাতাৰ শক্তি শীৰ্ষক সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। তৃণমূল পৰ্যায়ৰ পৰা ভোটদাতাসকলৰ মাজত নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। তদুপৰি বিশ্ব জল দিৱসৰ তাৎপৰ্যৰ সৈতে সংগতি ৰাখি পানী সংৰক্ষণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

বাক্সা জিলাতো ছুইপ কোষৰ উদ্যোগত জল সুৰক্ষা আৰু ভোটাৰ সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সংকল্প লোৱাৰ লগতে আনকো ভোটদানৰ বাবে উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰে। নগাঁও জিলাতো আজি বিশ্ব জল দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ভোটদানৰ প্ৰতি সজাগতাৰ সৃষ্টি কৰে। এই উপলক্ষে নগাঁও জিলাৰ কেইবাখনো গাঁৱত পানী যোগান কেন্দ্ৰ চৌহদসমূহত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। যোৰহাট জিলাত জনসাধাৰণৰ মাজত ভোটদানৰ গুৰুত্ব আৰু জল সংৰক্ষণৰ প্ৰতি সজাগতা বৃদ্ধিৰ বাবে এই দিৱস পালন কৰা হয়। এই উপলক্ষে যোৰহাট নিৰ্বাচনী জিলাত শপতগ্ৰহণ, সজাগতা সভা আদি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ooooo

তিনিচুকীয়া জিলাৰ জাগুনত কালি পুৱতি নিশা আৰক্ষীৰ কামাণ্ডো শিবিৰলৈ লক্ষ্য কৰি দুষ্কৃতিকাৰীয়ে গ্ৰেনেড নিক্ষেপ কৰি আৰু গুলীৰে কৰা আক্ৰমণৰ ফলত কমেও চাৰিজন জোৱান আহত হয়। আৰক্ষীয়ে আক্ৰমণৰ প্ৰত্যুত্তৰত গুলী চালনা কৰাৰ ফলত কিছু সময় ধৰি গুলীয়াগুলী চলে। আক্ৰমণত আহত জোৱান এজনৰ শৰীৰৰ বহু অংশ অগ্নিদগ্ধ হোৱা বুলি জানিব পৰা গৈছে। জোৱান কেইজনক উন্নত চিকিৎসাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। সম্প্ৰতি জোৱান কেইজনৰ অৱস্থা সুস্থিৰ বুলি প্ৰকাশ কৰা হৈছে। ঘটনাস্থলীত আৰক্ষী আৰু নিৰাপত্তাৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীন এই আক্ৰমণৰ সৈতে জড়িত থকা বুলি সন্দেহ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিছে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়–

(বাইট)

ooooo

দেশত অত্যাৱশ্যকীয় ইন্ধনৰ অভাৱ হোৱা নাই বুলি চৰকাৰে পুনৰ নিশ্চিত কৰিছে। চৰকাৰে প্ৰকাশ কৰা অনুসৰি তেল শোধানাগাৰসমূহে পূৰ্ণ সামৰ্থৰে কাম-কাজ অব্যাহত ৰখাৰ লগতে পেট্ৰ'ল আৰু ডিজেল যথেষ্ট পৰিমাণে মজুত আছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰা মতে, ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰসমূহৰ বিতৰণ স্বাভাৱিক হৈ থকাৰ লগতে উৰাবাতৰিৰ প্ৰভাৱত খৰতকীয়াকৈ কৰা বুকিঙৰ সংখ্যাও হ্ৰাস হৈছে। তদুপৰি ৰাজ্যসমূহলৈ বাণিজ্যিক চিলিণ্ডাৰ বিতৰণ কৰাৰ গতি পূৰ্বতকৈ অধিক হোৱাৰ লগতে শৈক্ষিক প্ৰতিষ্ঠান তথা চিকিৎসালয়সমূহক এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হৈছে বুলি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে। ৰাজ্যসমূহক ঘৰুৱা তথা বাণিজ্যিক ব্যৱহাৰৰ বাবে পি এন জি সংযোগৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ৰন্ধন গেছৰ অবৈধ মজুতকৰণ তথা কলা বিপণন প্ৰতিৰোধ কৰিবলৈ দেশজুৰি অভিযান অব্যাহত আছে বুলিও মন্ত্ৰালয়ে সদৰী কৰে। ইপিনে, সামুদ্ৰিক বাণিজ্য সুকলমে অব্যাহত থকাটো সুনিশ্চিত কৰিবলৈ ভাৰতীয় জাহাজ তথা বন্দৰসমূহৰ কাম-কাজ অহৰহ পৰ্যবেক্ষন কৰি থকা হৈছে বুলি ইতিমধ্যে বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বিগত ২৪ ঘণ্টাত ১৩ খন জাহাজকে ধৰি ৫৪৭ খনতকৈ অধিক জাহাজৰ সুকলমে প্ৰত্যাৱৰ্তন হৈছে।

ooooo

প্ৰকৃতি সংগঠন অৰণ্য সুৰক্ষা সমিতি অসমে ২০১১ চনৰ পৰা কোকৰাঝাৰ জিলাৰ মহামায়া বনাঞ্চলত শগুণৰ জৰীপ চলাই আহিছে। এই মহামায়া বনাঞ্চলত বগাপিঠীয়া শগুণে বাস কৰে বাবে অৰণ্য সুৰক্ষা সমিতি অসমে বনাঞ্চলখনক বগাপিঠীয়া শগুণ সংৰক্ষণৰ বাবে জন সজাগতা কাৰ্যসূচীও গ্ৰহণ কৰি আহিছে। সমিতিয়ে পক্ষী আদৰণি, কাতি বিহু, গছ বিহু, জলাশয় দিৱস আজি আয়োজন কৰি ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ চেষ্টা কৰাৰ লগতে বছৰি জৰীপ চলাই শগুণৰ অস্তিত্বৰ উমান লৈ আহিছে। দ্ৰুতগতিত হেৰাই যাবলৈ ধৰা এই আপুৰুগীয়া চৰাই বিধৰ সংখ্যা এনে প্ৰচেষ্টাৰ ফলত সামান্য বৃদ্ধি পাইছে বুলি সমিতিৰ তৰফৰ পৰা জানিবলৈ দিছে। সমিতিৰ সচিব প্ৰধান ড০ হৰিচৰণ দাসে প্ৰকাশ কৰা মতে ২০১১ চনত কৰা জৰীপত ২৬টা বগাপিঠীয়া শগুণ আছিল। যোৱা বছৰ এই সংখ্যা ৪৬ টালৈ বৃদ্ধি পোৱা লগতে এই বছৰ এই সংখ্যা ৫২ টালৈ বৃদ্ধি পাইছে।

০০০০০

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ প্ৰতিখন জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰীক্ষণকাৰী দল আৰু ফ্লাইং স্কোৱাডে ৰাজ্যৰ বিভিন্ন ঠাইত তালাচী চলাই বুজন পৰিমাণৰ আপত্তিজনক সামগ্ৰী জব্দ কৰিছে। নগাঁও জিলা প্ৰশাসনে চলোৱা অভিযানত বুজন পৰিমাণৰ সুৰা আৰু সুৰা প্ৰস্তুত কৰা সামগ্ৰী জব্দ কৰা হয়। ভিন ভিন দলৰ দ্বাৰা চলোৱা অভিযানত বৰহমপুৰ, ধিং, নগাঁও, বটদ্ৰবা আৰু ৰূপহীহাটৰ পৰা ভালেমান নিচাযুক্ত সামগ্ৰী উদ্ধাৰ কৰা হয়। নগাঁও জিলাৰ আয়ুক্তই প্ৰকাশ কৰা মতে জিলাখনত নিৰ্বাচনী আচৰণবিধি কঠোৰভাৱে বলৱৎ কৰা হৈছে। নিৰীক্ষণকাৰী দল আৰু ফ্লাইং স্কোৱাডে ২৪ ঘণ্টাই তালাচী চলাই আছে। **বিশ্বনাথ** আৰক্ষীয়ে যোৱা নিশা বিহালীৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই এক লাখৰো অধিক নগদ ধন জব্দ কৰে। তেজপুৰৰ পৰা গহপুৰ অভিমুখী এখন বাহনৰ পৰা ধনখিনি জব্দ কৰা হয়। ধনৰ উৎস সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। **কামৰূপত** জিলা আৰু আৰক্ষী প্ৰশাসনে জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ নিৰ্বাচন সুকলমে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ ব্যৱস্থা হাতত লৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আৰক্ষী জোৱানে দিনে-নিশাই তালাচী চলাইছে। জিলাখনত ৯টা অৰ্ধ সামৰিক বাহিনীয়ে একেলগ হৈ আৰক্ষীৰ লগত নিৰাপত্তাৰ দিশ চোৱাচিতা কৰিছে।

কোকৰাঝাৰত আজি ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ বাবে দৈমালু আৰু চিখিৰি নামৰ দুটা শুভংকৰ মুকলি কৰে।

০০০০০

বোকাখাটৰ বেলগুৰিত আয়োজিত মিচিং জনগোষ্ঠীৰ নৰম পঃৰাগ উৎসৱ উপলক্ষে অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। গুমৰাগ নৃত্য আৰু ঐনিতমৰ সুৰত অঞ্চলটোত আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। উৎসৱৰ সৈতে সংগতি ৰাখি পূজা-অৰ্চনা,  বিভিন্ন খেল-ধেমালি, খাদ্য মেলা, মুকলি সভাকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উৎসৱত জনগোষ্ঠীটোৰ বিবাহপাশত আবদ্ধ হোৱা জীয়ৰীসকল নিজ ঘৰলৈ ঘূৰি আহি এই উৎসৱৰ আনন্দত ভাগ লয়। চাৰি দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই উৎসৱৰ কাইলৈ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰে।

(বাইট)

০০০০০

কামৰূপ জিলাৰ মনাহকুছিৰ শ্ৰীশ্ৰীবাসন্তী দুৰ্গামন্দিৰত কাইলৈৰ পৰা ৬ দিনীয়া কাৰ্যসূচীৰে পঞ্চবিংশতিতম বাসন্তী দুৰ্গা পূজা তথা ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ আয়োজন কৰা হৈছে। কাইলৈ ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। পূজাৰ সৈতে সংগতি ৰাখি পৰৱৰ্তী দিনকেইটাত ওজাপালি, নাম প্ৰসংগ, স্মৃতিগ্ৰন্থ উন্মোচন, নাগাৰা নাম আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বাসন্তী দুৰ্গা পূজাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে ২৭ মাৰ্চত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াত কেইবাগৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰিব।

০০০০০

চিদলি সমষ্টিৰ প্ৰাক্তন বিধায়ক এন্দ্ৰিয়াছ হাজোৱাৰীৰ আজি পুৱা এখন  ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। ১৯৯৬ ৰ পৰা ২০০১ চনলৈ তেওঁ চিদলিৰ বিধায়ক হিচাপে সেৱা আগবঢ়াইছিল। নেতাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ